জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ৮৯ ● বৃহস্পতিবাৰ ● ১৯ আঘোণ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday December 5, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ...

ৰাজহুৱা বাছ বা ৰে'ল আস্থান আদিত স্থাপন কৰিবলগীয়া পলিঅ' বুথসমূহলৈ শিশুসকলক লৈ আহি টিকাকৰণ কৰাবলৈ অভিভাৱকলৈ জিলা প্ৰশাসনৰ তৰফৰপৰা আহ্বান জনাইছে। ৯ আৰু ১০ ডিচেম্বৰত স্বাস্থ্য কৰ্মীসকলে ঘৰে ঘৰে গৈ খবৰ কৰিব আৰু বাদ পৰি যোৱা শিশুসকলক প্ৰতিষেধক প্ৰদান কৰিব। অৱশ্যে ঘৰত লোৱাতকৈ কেন্দ্ৰলৈ আহি লোৱাটো বেছি উপযোগী বুলি যুটীয়া সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰ বাবে নিয়োজিত ৩,৪৯০গৰাকী বুথ কৰ্মী আৰু ১৮০গৰাকী ছুপাৰভাইজাৰৰ সকলোকে ৬ ডিচেম্বৰৰ ভিতৰত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। সভাত তিনিচুকীয়া পৌৰসভাৰ সভাপতি পুলক চেতিয়া, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্য, জিলা প্ৰতিষেধক বিষয়া ডাঃ নিৰোদ কুমাৰ বৰা, বিশ্ব স্বাস্থ্য সংস্থাৰ নিৰীক্ষক স্বাস্থ্য বিষয়া ডাঃ এছ ভিক্টৰিয়াৰ উপৰি শিক্ষা, সমাজ কল্যাণ, পৰিবহণ, আৰক্ষী, শ্ৰম, জনসংযোগ আদি বিভাগৰ বিষয়া উপস্থিত আছিল। আগতে প্ৰতিষেধক লোৱা সকলেও এইবাৰ প্ৰতিষেধক ল'ব লাগিব। এই প্ৰতিষেধকৰ কোনো পাৰ্শ্বক্ৰিয়া নাই বুলি বিশ্ব স্বাস্থ্য সংস্থাই নিশ্চিত কৰিছে।

## ডিব্ৰুগড় বিজ্ঞান সমিতিৰ বক্তৃতা প্ৰতিযোগিতা

ডিব্ৰুগড়ঃ ষ্টাফ ৰিপ'টাৰঃ ৪ ডিচেম্বৰঃ অসম বিজ্ঞান সমিতিৰ ডিব্ৰুগড় শাখাৰ উদ্যোগত আৰু কানৈ মহাবিদ্যালয়ৰ সহযোগত ২১ ডিচেম্বৰত দিনৰ ১০-৪৫ বজাত নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ডিব্ৰুগড় জিলাভিত্তিক 'জয়শ্ৰী মেধি সোঁৱৰণী প্ৰাইজমানি বক্তৃতা প্ৰতিযোগিতা'ৰ আয়োজন কৰা হৈছে। প্ৰত্যেক শিক্ষানুষ্ঠানৰপৰা সৰ্বাধিক চাৰিগৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিব পাৰিব। বক্তৃতাৰ বিষয়ঃ 'অন্ধবিশ্বাস দূৰীকৰণত বিজ্ঞানৰ ভূমিকা'। ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে চাৰি মিনিটকৈ একোজন প্ৰতিযোগীয়ে বক্তৃতা প্ৰদান কৰিব পাৰিব। ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ সভাকক্ষত অনুষ্ঠিতব্য বক্তৃতা প্ৰতিযোগিতালৈ প্ৰতিযোগীয়ে শিক্ষানুষ্ঠানৰ পৰিচয়-পত্ৰ লৈ আহিব লাগিব আৰু পুৱা ১০ বজাত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। প্ৰতিযোগিতাত যোগদান সম্পৰ্কত তলত দিয়া নম্বৰত ১৭ ডিচেম্বৰৰ ভিতৰত ৯৬৭৮৬৪৩৮৮৩, ৯৪৩৫১৩০২৩৭ নম্বৰত যোগাযোগ কৰি যোগদান নিশ্চত কৰিব পাৰিব।

## দুলীয়াজানত 'সেৱা'ৰ উদ্যো... বিশ্ব দিব্যাংগ দিৱস পালন




কোষৰ সম্পাদক ...
বিভাগৰ মহাপ্ৰবন্ধ...
উপস্থিত থাকে। কা...
হিচাপে ডিব্ৰুগড়...
প্ৰশিক্ষণ আৰু নি...
তামুলীয়ে ভাষণ অ...
বিশেষ অতিথি হিচ...
বিভাগৰ মুখ্য প্ৰব...
জ্যেষ্ঠ প্ৰবন্ধক
তিনিচুকীয়াৰ 'আই-...
জি অ'ৰ সভাপতি-...
অ' জি. এছ ইউৰ ...
পাপু বাগলাৰী, স...
নিপন নিয়ৰ শেন...
কৰে। অনুষ্ঠানতে ...